৮ ডিচেম্বৰ,২০১৬

আৰ বি আই/২০১৬–১৭/১৭৭
ডি বি আৰ.এ এম এল. বি চি. নং ৪৭/১৪.০১.০১/২০১৬-১৭

সকলো বিনিয়মিত সত্তা

মহাশয়/মহাশয়া,

**আপোনাৰ গ্ৰাহকক জানক বিষয়ক মাষ্টাৰ ডিৰেকশ্যনৰ সংশোধন**

বেংকিং বিনিয়ম আইন, ১৯৪৯ৰ ধাৰা ৩৫কৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি Master Direction on Know Your Customer (KYC) ৰ কেইটামান সংশোধন ঘটাবলৈ সিদ্ধান্ত লোৱা হল। দুটা প্ৰধান পৰিৱৰ্তন তলত দিয়া মতে অধিসূচিত কৰা হল-

ক. কেইটামান সীমাবদ্ধতা সাপেক্ষে এককালীন পিন (অটিপি) ভিত্তিক ই-কে ৱাই চিৰ অনুমতি দিবলৈ সিদ্ধান্ত লোৱা হল।

খ. সকলো সূচীভুক্ত বাণিজ্যিক বেংকে (এছ চি বি এ) ১ জানুৱাৰী, ২০১৭ বা তাৰ পাছত খোলা সকলো নতুন ব্যক্তিগত একাউন্টৰ ক্ষেত্ৰত কেন্দ্ৰীয় কে ৱাই চি ৰেকৰ্ড ৰেজিষ্ট্ৰীত কে ৱাই চি ডাটা নিশ্চিতভাৱে আপলড কৰিব লাগিব। জানুৱাৰী, ২০১৭ৰ সময়ছোৱাত খোলা একাউন্টৰ ক্ষেত্ৰত অৱশ্যে আপলডিং তাৰিখৰ কাৰণে এছ চি বিসমূহক ১ ফেব্ৰুৱাৰী, ২০১৭ পৰ্যন্ত সময় দিয়া হব। এছ চি বি বাদে অন্য আৰ ইবিলাকে ১ এপ্ৰিল,২০১৭ত বা তাৰ পাছত খোলা সকলো নতুন ব্যক্তিগত একাউন্টৰ কে ৱাই চি ডাটা চি কে ৱাই চি আৰত আপলড কৰিব লাগিব।

ওপৰৰ বিলাকৰ উপৰিও, বৰ্তমান প্ৰযোজ্য নিৰ্দেশাৱলী সম্পৰ্কীয় অন্যান্য সালসলনি/স্পষ্টীকৰণবোৰ notification No.DBR.AML.BC.No.18/14.01.001/2016-17 dated December 8, 2016 অধিসূচনাত সন্নিৱিষ্ট কৰা হৈছে।

আপোনাৰ বিশ্বাসী,

**(লিলি ৱাদেৰা)**

মুখ্য মহা প্ৰৱন্ধক